# অসম বিধান সভা
## তৰা বিহীন প্ৰশ্ন নং- ৯৭
## উত্তৰ দিয়া তাৰিখ ৭-৭-২০২৬

**বিষয়ঃ খনি আৰু খনিজাত বিষয় সম্পৰ্কে**

শ্ৰীমজিবুৰ ৰহমান, বিধায়ক।

মাননীয় খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) প্ৰত্যেকৰে আনুমানিক খৰচৰ সৈতে কামৰ তালিকা, প্ৰতিটো কামৰ অগ্ৰগতি, ব্যৱহৃত পৰিমাণ আৰু পি এম কে কে কে ৱাইৰ (PMKKKY) অধীনত ডি এম এফ টি (DMFT) পুঁজিৰ সৈতে নিষ্পাদনকাৰী সংস্থাক নিযুক্তি দিবলৈ অনুসৰণ পদ্ধতিৰ সৈতে নিষ্পাদানকাৰী সংস্থাৰ বিৱৰণ (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব ।)

(খ) অসম জিলা খনিজ ফাউণ্ডেশ্যন (ট্ৰাষ্ট) নিয়ম, ২০২০ (Assam District Mineral Foundation (Trust), 2020) অনুসৰি জিলা খনিজ ফাউণ্ডেশ্যনৰ শাসক পৰিষদে যথাযথভাৱে অনুমোদিত পৰিচালনা সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা ন্যাসৰ বাৰ্ষিক পৰিকল্পনা আৰু বাৰ্ষিক বাজেট বিৱৰণ সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।

(গ) অসম চৰকাৰে ২০১৫ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখে জিলা খনিজ ফাউণ্ডেশ্যন স্থাপনৰ সন্দৰ্ভত ভাৰত চৰকাৰ, খনি মন্ত্ৰালয়ৰ আদেশ মানি চলাৰ আৰ্থিক অনুমোদন কিমানখন জিলাই পাইছে? সবিশেষ মজিয়াত দাখিল কৰিব।

**<u>উত্তৰ :</u>**

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব:

(ক) PMKKKY-ৰ অধীনত DMFT পুঁজিৰে ৰূপায়ণ কৰা প্ৰকল্পসমূহৰ নিষ্পাদনকাৰী সংস্থাসমূহ অসম জিলা খনিজ ফাউণ্ডেচন নিয়ম (ন্যাস), ২০২০, PMKKKY-ৰ নিৰ্দেশনা আৰু প্ৰচলিত চৰকাৰী ক্ৰয়(নিবিদা/Procurement/Tender)নীতি অনুসৰি নিযুক্তি দিয়া হয়।প্ৰকল্পসমূহৰঅনুমানিক ব্যয়, কামৰ অগ্ৰগতি, ব্যয়িত ধনৰ পৰিমাণৰ ক্ষেত্ৰত উপলব্ধ তথ্য অনুসৰিঅসমৰ বিভিন্ন জিলাত মুঠ ৮৪৯টা প্ৰকল্প অনুমোদিত হৈছে, যাৰ মুঠ অনুমোদিত ব্যয় ১৬৯.১৩ কোটি টকা। ইয়াৰে ৫৬০টা প্ৰকল্প (১১৭.৩৬ কোটি টকা) সফলতাৰে সম্পূৰ্ণ কৰা হৈছে, যি মুঠ অনুমোদিত প্ৰকল্পৰ প্ৰায় ৬৬ শতাংশ। আনহাতে, ১৫৬টা প্ৰকল্প (২৮.২০ কোটি টকা) বৰ্তমান ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে আৰু ১২৪টা প্ৰকল্প (২১.৫৯ কোটি টকা) এতিয়াও আৰম্ভ হোৱা নাই। ইয়াৰ জিলা ভিত্তিক পুংখানুপংখ বিৱৰণ NATIONAL DMF PORTAL-ত উপলব্ধ। গতিকে https://dmfindia.mines.gov.in-ত সকলোখিনি চাব পাৰিব ।

(খ) DMFT-ৰ শাসন পৰিষদে (Governing Council) ন্যাসৰ নীতি, বাৰ্ষিক কাৰ্যপৰিকল্পনা, বাজেট আৰু প্ৰকল্পসমূহ অনুমোদন কৰি সামগ্ৰিক তদাৰকী কৰে, আনহাতে পৰিচালনা সমিতিয়ে (Managing Committee) সেই সিদ্ধান্তসমূহ কাৰ্যকৰী কৰি প্ৰকল্পসমূহৰ ৰূপায়ণ, পুঁজিৰ সঠিক ব্যৱহাৰ আৰু দৈনন্দিন

প্ৰশাসন পৰিচালনা কৰে।উপলব্ধ তথ্য অনুসৰি, জিলা খনিজ ফাউণ্ডেচন ন্যাস (DMFT)-ৰ অডিট প্ৰতিবেদন আৰু বাৰ্ষিক প্ৰতিবেদন দাখিলৰ ক্ষেত্ৰত বিভিন্ন জিলাৰ অগ্ৰগতি ভিন্ন।কাছাৰ, দৰং, ধুবুৰী, ডিমা হাছাও, হোজাই, কাৰ্বি আংলং আৰু লখিমপুৰজিলাই ক্ৰমে৭, ৬, ৬, ৩, ৬, ৬ আৰু ২ খনকৈ অডিট প্ৰতিবেদনদাখিল কৰিছে। আনহাতে, বজালীজিলাই২খন বাৰ্ষিক প্ৰতিবেদন, দৰংজিলাই ১ খন বাৰ্ষিক প্ৰতিবেদন আৰু কাৰ্বি আংলং জিলাই ৬খন বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিছে। অৱশিষ্ট জিলাসমূহে এতিয়ালৈকে কোনো বাৰ্ষিক প্ৰতিবেদন দাখিল কৰা নাই।ইয়াৰ সম্পূৰ্ণ তথ্য NATIONAL DMF PORTAL-ত উপলব্ধ আৰু https://dmfindia.mines.gov.in–ত সকলোখিনি চাব পাৰিব ।

(গ) ভাৰত চৰকাৰৰ খনি মন্ত্ৰালয়ে ১৬ ছেপ্টেম্বৰ, ২০১৫ তাৰিখে জাৰি কৰা নিৰ্দেশনা অনুসৰি অসমত জিলা খনিজ ফাউণ্ডেচন (DMFT) গঠন কৰা হৈছে। বৰ্তমান ৰাজ্যৰসকলো ৩৫খন জিলাতেজিলা খনিজ ফাউণ্ডেচন (DMFT) গঠন সম্পূৰ্ণ হৈছে আৰু সংশ্লিষ্ট জিলাসমূহে DMFT-ৰ অধীনত পুঁজি সংগ্ৰহ আৰু প্ৰকল্প ৰূপায়ণ কৰি আহিছে। বিতং তথ্য **ANNEXURE-1**ত দাখিল কৰা হ'ল ।

******

Uploaded in National eVidhan Application

**ANNEXURE-1**

# DMF Status till May, 2026

| S.No | District | Collection (In Cr.) | Amount Allocated (In Cr.) | Amount Spent (In Cr.) | Balance Amount (in Cr.) |
|---|---|---|---|---|---|
| 1 | Bajali | 1.29 | 0.31 | 0.27 | 1.02 |
| 2 | Baksa | 7.87 | 5.53 | 5.01 | 2.86 |
| 3 | Barpeta | 7.8 | 0 | 0 | 7.8 |
| 4 | Biswanath | 0.95 | 0.25 | 0.25 | 0.7 |
| 5 | Bongaigaon | 4.64 | 2.02 | 1.01 | 3.63 |
| 6 | Cachar | 19.73 | 10.58 | 9.93 | 9.8 |
| 7 | Charaideo | 0.82 | 0.42 | 0.42 | 0.4 |
| 8 | Chirang | 1.57 | 0 | 0 | 1.57 |
| 9 | Darrang | 2.39 | 0.1 | 0.1 | 2.29 |
| 10 | Dhemaji | 2.7 | 2.07 | 0 | 2.7 |
| 11 | Dhubri | 5.44 | 0.79 | 0.79 | 4.65 |
| 12 | Dibrugarh | 13.02 | 2.62 | 2.2 | 10.82 |
| 13 | Dima Hasao | 67.62 | 52.28 | 24.56 | 43.06 |
| 14 | Goalpara | 6.66 | 6 | 5.54 | 1.12 |
| 15 | Golaghat | 1.42 | 0 | 0 | 1.42 |
| 16 | Hailakandi | 3.24 | 0.98 | 0.79 | 2.45 |
| 17 | Hojai | 5.07 | 2.25 | 2.11 | 2.96 |
| 18 | Jorhat | 6.85 | 0.8 | 0.19 | 6.66 |
| 19 | Kamrup | 25.99 | 0 | 0 | 25.99 |
| 20 | Kamrup Metro | 27.93 | 2.24 | 0.18 | 27.75 |
| 21 | Karbi Anglong | 13.53 | 8.75 | 6.6 | 6.93 |
| 22 | Karimganj | 3.24 | 2.47 | 1.89 | 1.35 |
| 23 | Kokrajhar | 5.49 | 3.86 | 1.76 | 3.73 |
| 24 | Lakhimpur | 18.67 | 4.93 | 4.19 | 14.48 |
| 25 | Majuli | 0.98 | 0.32 | 0.32 | 0.66 |
| 26 | Marigaon | 3.52 | 0.17 | 0.17 | 3.35 |
| 27 | Nagaon | 5.06 | 0 | 0 | 5.06 |
| 28 | Nalbari | 0.39 | 0 | 0 | 0.39 |
| 29 | Sivasagar | 3 | 0 | 0 | 3 |
| 30 | Sonitpur | 1.36 | 0 | 0 | 1.36 |
| 31 | South Salmara Mancachar | 0 | 0 | 0 | 0 |
| 32 | Tamulpur | 0 | 0 | 0 | 0 |
| 33 | Tinsukia | 81.23 | 59.01 | 40.94 | 40.29 |
| 34 | Udalguri | 0.68 | 0.37 | 0.37 | 0.31 |
| 35 | West Karbi Anglong | 0.52 | 0 | 0 | 0.52 |
| | **Total** | **350.67** | **169.12** | **109.59** | **241.08** |